**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা**
**মুক্ত শৈক্ষিক সমল**

**শ্ৰেণী ঃ সপ্তম** **বিষয় ঃ ভাষা-১ (অসমীয়া)** **চতুৰ্থ সাময়িকী (অক্টোবৰ, নৱেম্বৰ আৰু ডিচেম্বৰ), ২০১৮ ইং**

**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ** (Grey Area) - **লিখন কৌশল (গুণোৎসৱ-২০১৭ ৰ ফলাফল অনুসৰি)**

**শিকন ফলাফলৰ উপক্ষেত্ৰ ঃ**

⇨ সৃষ্টিশীল লিখনি — যেনে, — সাধুকথা, গল্প, কবিতা আদি লিখিব পৰাৰ লগতে পাণ্ডুলিপি, প্ৰতিবেদন আদি লিখাৰ দক্ষতা আহৰণ কৰা।

⇨ বিভিন্ন দিৱসৰ তাৎপৰ্য বুজি লিখিব পৰা আৰু দেশৰ বাবে উন্নয়নমূলক কামৰ বিষয়ে চিন্তা কৰি লিখিব পৰা।

**শৈক্ষিক দিনপঞ্জী অনুসৰি চতুৰ্থ সাময়িকী (অক্টোবৰ, নৱেম্বৰ আৰু ডিচেম্বৰ)লৈকে সামৰা পাঠসমূহ ঃ**

| | | | |
|---|---|---|---|
| ক) | নোকোৱাৰ পৰিণাম | - | পাঠ নং ১৫ |
| খ) | হামাহি | - | পাঠ নং ১৬ |
| গ) | সোণতকৈ নহয় কম সঞ্চয়ৰ ধন | - | পাঠ নং ১৭ |
| ঘ) | কণ্ঠে কণ্ঠে | - | পাঠ নং ১৮ |

**পাতনি ঃ**

এই সমল সামগ্ৰীত 'শিক্ষাৰ অধিকাৰ আইন-২০০৯' অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, লিংগ আৰু বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱা আৰু বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সমল আচৰণ দেখুওৱা আৰু সকলোৰে বাবে প্ৰাথমিক শিক্ষা বাধ্যতামূলক হোৱাটো নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে।

লিখন হৈছে এক জটিল কৌশল। কিবা এটা লিখিবলৈ হ'লে লিখোঁতাজনৰ লিখিব খোজা বিষয় সম্পৰ্কে কিছু অভিজ্ঞতা, সম্যকজ্ঞান তথা যথেষ্ট তথ্য থাকিব লাগিব। লেখকে নিজৰ অভিজ্ঞতা, জ্ঞান, চিন্তা, ধাৰণা আদি জুকিয়াই লৈ সেইবোৰ নিৰ্দিষ্ট ক্ৰমানুসাৰে সজাই ল'ব জানিব লাগিব। তাৰ পিছত নিজৰ জ্ঞান তথা অভিজ্ঞতাসমূহ ভাষাৰ মাধ্যমৰে প্ৰকাশ কৰিবলৈ উপযুক্ত শব্দ, বাক্য-গাঁথনি ইত্যাদিৰ প্ৰতিও চকু দিব লাগিব। গতিকে দেখা যায় যে লিখন সহজে আয়ত্ত কৰিব পৰা কৌশল নহয়।

উচ্চ প্ৰাথমিক স্তৰত ছাত্ৰ-ছাত্ৰীসকলে শিক্ষকৰ সহায় আৰু তত্ত্বাৱধানত চমু ৰচনা, চিঠি, সাধু আদি লিখিব পৰা হয়। এইটো স্তৰত ছাত্ৰ-ছাত্ৰীয়ে লিখনৰ বৌদ্ধিক দিশটো অনুধাৱন কৰিব পাৰে। গতিকে এইখিনি সময়তেই শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক সৃষ্টিশীল লিখনি লিখাৰ বাবে উৎসাহ জগোৱাৰ লগতে উপযুক্ত নিৰ্দেশনা তথা সহায় আগবঢ়োৱা প্ৰয়োজন। এই স্তৰত ছাত্ৰ-ছাত্ৰীসকলক সৃষ্টিশীল লিখা-মেলাৰ প্ৰতি আগ্ৰহী কৰিব পাৰিলে তেওঁলোকৰ বয়সন্ধি কালৰ আৱেগ অনুভূতিসমূহ প্ৰকাশৰ এক সঠিক পথ প্ৰদৰ্শন কৰিব পৰা যায়। ইয়াৰোপৰি আমি ছাত্ৰ-ছাত্ৰীসকলক সাধুকথা, গল্প আদিৰ আৰম্ভণি, সামৰণি লিখাৰ কৌশল, কাহিনীৰ নামকৰণ ইত্যাদিৰ বিষয়ে আলোচনা কৰি আৰু আৰ্হি দেখুৱাই ছাত্ৰ-ছাত্ৰীসকলক তেনেদৰে লিখিবলৈ উৎসাহিত কৰিব পাৰোঁ। সৃষ্টিশীল কবিতা, গল্প, সাধুকথা আদি লিখনি লিখাৰ উপৰি উচ্চ প্ৰাথমিক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিবেদন লিখিব পৰা, বিভিন্ন দিশসমূহৰ তাৎপৰ্য বুজি লিখিব পৰা, দেশৰ বাবে উন্নয়নমূলক কামৰ বিষয়ে চিন্তা কৰি লিখিব পৰা আদি চিন্তাশীল লিখনি লিখিব পৰাৰ দক্ষতা আহৰণ কৰাটোও বাঞ্ছনীয়। সৃষ্টিশীল লিখনিৰ অভ্যাসৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ নিজৰ মনৰ আৱেগ-অনুভূতিসমূহ আনৰ আগত সাৱলীলভাৱে প্ৰকাশ কৰাৰ দক্ষতা

আহৰণৰ উপৰিও মনোবল আৰু আত্মবিশ্বাস বৃদ্ধি কৰে। সেয়েহে ছাত্ৰ-ছাত্ৰীৰ এনে দক্ষতাৰ বিকাশ সাধন কৰিবলৈ পাঠ্যপুথিত থকা ক্ৰিয়া-কলাপৰ বাহিৰেও আন কিছু নতুন ক্ৰিয়া-কলাপ এই সমল সামগ্ৰীত অন্তৰ্ভুক্ত কৰা হৈছে। শিক্ষক-শিক্ষয়িত্ৰীয়ে এই সমল সামগ্ৰীৰ আধাৰত নতুন নতুন শিক্ষণ-শিকন প্ৰক্ৰিয়া উদ্ভাৱন কৰি তাক শ্ৰেণীকোঠাত ব্যৱহাৰ কৰি সুফল পাব বুলি আশা কৰা হৈছে।

**ওপৰত উল্লিখিত শিকন ফলফলসমূহৰ গুৰুত্ব অপৰিসীম ঃ**

⇨ ছাত্ৰ-ছাত্ৰীসকলৰ লিখনৰ মানদণ্ড উন্নত হ'ব।

⇨ কবিতা, গল্প, সাধুকথা আদি সৃষ্টিশীল লিখনি লিখিব পাৰিব।

⇨ চিন্তাশীল লিখনি লিখাৰ দক্ষতা আহৰণ কৰিব।

⇨ নিজৰ মনৰ ভাব-অনুভূতি সাৱলীলভাৱে লিখনিৰ জৰিয়তে প্ৰকাশ কৰিব পাৰিব।

⇨ তথ্যসমৃদ্ধ লিখনি লিখিব পাৰিব।

**লিখন কৌশল বিকাশৰ ব্যৱস্থাৱলী ঃ**

⇨ এই সমল সামগ্ৰী অধ্যয়ন কৰি আমি সৃষ্টিশীল লিখন কৌশল বিকাশৰ বাবে উপযুক্ত কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব পাৰিম।

⇨ ক্ৰিয়া-কলাপ, অনুশীলনীৰ পৰিকল্পনা কৰিব পাৰিম।

⇨ ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক অগ্ৰগতিৰ মান নিৰূপণ কৰিব পাৰিম।

⇨ ছাত্ৰ-ছাত্ৰীৰ মানসিক বিকাশত সৃষ্টিশীল লিখনিৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তা উপলব্ধি কৰিব পাৰিম।

**শিক্ষক হিচাপে আমি এই সমল সামগ্ৰীৰ পৰা কি শিকিব পাৰিম ?**

⇨ ছাত্ৰ-ছাত্ৰীক জড়িত কৰাৰ বাবে উপযুক্ত পৰিৱেশ সৃষ্টি কৰিব পাৰিম।

⇨ ছাত্ৰ-ছাত্ৰীৰ সৃজনাত্মক লিখন কৌশল বিকাশৰ বাবে নতুন নতুন ক্ৰিয়া-কলাপ পৰিকল্পনা কৰিব পাৰিম।

**এই সমল সামগ্ৰীত ছাত্ৰ-ছাত্ৰীৰ সৈতে কৰিবলগীয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটা আৰ্হিমূলক ৰূপৰেখা তলত উপস্থাপন কৰা হ'ল—**

| মুক্ত শৈক্ষিক সমল - ভাষা (অসমীয়া) | | | | |
|---|---|---|---|---|
| **শিকনৰ ফলাফল** | **সামগ্ৰী** | **শিকন প্ৰক্ৰিয়া** | **প্ৰশ্নাৱলী** | **মূল্যায়ন** |
| (ক) সৃষ্টিশীল লিখনি— যেনে, — সাধুকথা, গল্প, কবিতা আদি লিখিব পৰাৰ লগতে পাণ্ডুলিপি প্ৰতিবেদন আদি লিখাৰ দক্ষতা আহৰণ কৰিব পাৰিব।<br><br>(খ) বিভিন্ন দিৱসৰ তাৎপৰ্য বুজি লিখিব পৰা আৰু দেশৰ বাবে উন্নয়নমূলক কামৰ বিষয়ে চিন্তা কৰি লিখিব পৰা | শব্দ, বাক্য, লিখা কাৰ্ড, ব্লেকব'ৰ্ড, চক, ডাষ্টাৰ ইত্যাদি<br><br>বাক্য লিখা কাৰ্ড | দলগত ক্ৰিয়া-কলাপ<br><br>দলগত ক্ৰিয়া-কলাপ | ১) কাৰ্ডত থকা বিষয়বস্তুটিক লৈ চাৰিশাৰী পদ্য লিখা—<br>ফুল / নদী / চৰাই / আকাশ<br>২) তলৰ দিয়া ৰূপৰেখাটিৰ আধাৰত গল্পটো সম্পূৰ্ণ কৰা—<br>"বিজয়শংকৰে ডাক-ঘৰলৈ গৈ প'ষ্টমাষ্টাৰ অনন্ত গগৈৰ লগত কথা পাতি সঞ্চয়ৰ গুৰুত্ব উপলব্ধি কৰিব পাৰিলে। ঘৰলৈ গৈ দেউতাকৰ লগত কথা পাতি এখন পাঁচবছৰীয়া জমা একাউন্ট খুলিলে। চাওঁতে চাওঁতে বিজয় শংকৰৰ ডাক-ঘৰৰ পাঁচবছৰীয়া আঁচনিৰ ম্যাদ সম্পূৰ্ণ হ'ল। এনে সময়তে এদিন বিজয়শংকৰৰ........."<br>৩) তুমি যদি ভৱিষ্যতে এজন শিক্ষক হোৱা দেশ তথা সমাজৰ উন্নতিৰ বাবে কি কৰিবা? | অবিৰত আৰু সামগ্ৰিক মূল্যায়ন |

**ক্ষেত্ৰ অধ্যয়ন ঃ**

বাক্সা জিলাৰ এখন উচ্চ প্ৰাথমিক বিদ্যালয়ৰ অসমীয়া বিষয়ৰ শিক্ষয়িত্ৰী দীপিকা শইকীয়াই সপ্তম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ লিখন দক্ষতা পৰীক্ষা কৰিবলৈ এটা ক্ৰিয়াকলাপৰ সহায় ল'লে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয়ত পালন কৰা স্বাধীনতা দিৱসৰ তাৎপৰ্য লিখিবলৈ দিলে।

শিক্ষকৰ নিৰ্দেশনা অনুসৰি ছাত্ৰ-ছাত্ৰীসকলে নিজ নিজ অভিজ্ঞতা অনুসৰি স্বাধীনতা দিৱসৰ তাৎপৰ্য লিখাৰ চেষ্টা কৰিলে। দীপিকা শইকীয়াই মন কৰিলে যে ছাত্ৰ-ছাত্ৰীসকলে স্বাধীনতা দিৱস সম্পৰ্কে প্ৰয়োজনীয় জ্ঞান বা তথ্য আহৰণ কৰিব পৰাই নাই। ফলস্বৰূপে ছাত্ৰ-ছাত্ৰীসকলে তাৎপৰ্য লিখাৰ সলনি স্বাধীনতা দিৱসৰ কাৰ্যসূচীত দেখা কিছুমান কথাহে লিখিছে। ছাত্ৰ-ছাত্ৰীয়ে লিখা বাক্যসমূহ আছিল এনে ধৰণৰ—

"১৫ আগষ্টত আমি বিদ্যালয়ত পতাকা উত্তোলন কৰোঁ। ৰাষ্ট্ৰীয় সংগীত গাঁও। সেইদিনা আমি স্কুলত বুট মাহ খাওঁ। নৃত্য-গীতৰ কাৰ্যসূচী অনুষ্ঠিত হয়।"......।"

ছাত্ৰ-ছাত্ৰীসকলৰ এনে দুৰ্বলতা দেখি শইকীয়া বাইদেউ বৰ চিন্তাত পৰিল। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয়ত পালনীয় দিৱসসমূহৰ গুৰুত্ব উপলব্ধি কৰাবলৈ বেলেগ পদ্ধতি অৱলম্বন কৰিলে।

**প্ৰস্তুতি ঃ**

দীপিকা শইকীয়াই বিদ্যালয়ত পালনীয় দিৱসসমূহৰ সম্পৰ্কে প্ৰয়োজনীয় তথ্য প্ৰদান কৰিবলৈ আৰু গুৰুত্ব উপলব্ধি কৰাবলৈ দিৱসসমূহৰ নাম আৰু তথ্য সম্বলিত তালিকা প্ৰস্তুত কৰিলে। তেওঁ প্ৰস্তুত কৰা তালিকা আছিল এনেধৰণৰ ঃ

| দিৱসৰ নাম | তথ্য |
|---|---|
| ১৫ আগষ্ট "স্বাধীনতা দিৱস" | ✶ ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতে স্বাধীনতা লাভ কৰিছিল।<br>✶ ভাৰতবৰ্ষই জাতীয় কংগ্ৰেছৰ নেতৃত্বত অহিংস আন্দোলনৰ মাধ্যমেৰে স্বাধীনতা লাভ কৰিবলৈ সক্ষম হয়।<br>✶ মহাত্মা গান্ধী এই অহিংস আন্দোলনৰ গুৰি ধৰোঁতা আছিল।<br>✶ ভাৰতবৰ্ষৰ বহুতো স্বাধীনতা সেনানীয়ে দেশৰ হকে প্ৰাণত্যাগ কৰিছিল। অসমৰ কনকলতা, মুকুন্দ কাকতিৰ দৰে বীৰ সেনানীয়ে ভাৰতৰ স্বাধীনতাৰ হকে প্ৰাণত্যাগ কৰিছিল।<br>✶ স্বাধীনতা দিৱসৰ দিনা সমগ্ৰ দেশতে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰা হয়।<br>✶ স্বাধীনতা দিৱসৰ মূল কাৰ্যসূচী ৰাজধানী দিল্লীৰ লালকিল্লাত পালন কৰা হয়।<br>✶ স্বাধীনতা দিৱসত বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী, পেৰেড আদিও অনুষ্ঠিত কৰা হয়। |

এনেদৰে তালিকা প্ৰস্তুত কৰি লোৱাৰ পিছত শইকীয়া বাইদেউৱে সকলো ছাত্ৰ-ছাত্ৰীয়ে দেখাকৈ তালিকাখন আৰি দিলে। ইয়াৰ পিছত তেওঁ ছাত্ৰ-ছাত্ৰীসকলক তালিকাখনৰ প্ৰতি মনোযোগ দিবলৈ ক'লে আৰু নিজেও তালিকাখনৰ তথ্য সমূহ পঢ়ি যোৱাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক বুজাই দিলে।

শইকীয়া বাইদেউৱে ছাত্ৰ-ছাত্ৰীসকলক বুজাই দিলে যে যিকোনো এটা দিৱসৰ তাৎপৰ্য লিখিবলৈ হ'লে আমি সেই দিৱসটোৰ গুৰুত্ব উপলব্ধি কৰিব লাগিব। তদুপৰি যিকোনো লিখনি লিখিবলৈ হ'লে আমাক কিছুমান তথ্যৰ প্ৰয়োজন। গতিকে স্বাধীনতা দিৱসৰ তাৎপৰ্য লিখিবলৈ হ'লেও আমি স্বাধীনতা দিৱসৰ গুৰুত্ব ব্যাখ্যা কৰিব পাৰিব লাগিব।

ইয়াৰ পাছত তেওঁ ছাত্ৰ-ছাত্ৰীসকলক স্বাধীনতা আন্দোলন আৰু ভাৰতবৰ্ষই যে অশেষ ত্যাগ আৰু কষ্টৰ বিনিময়তহে স্বাধীনতা লাভ কৰিবলৈ সক্ষম হৈছিল সেই সম্পৰ্কে ছাত্ৰ-ছাত্ৰীক বুজাই দিলে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক তালিকাত লিখা তথ্যসমূহ নিজৰ বহীত টুকি ল'বলৈ ক'লে।

এইদৰে বুজাই দিয়াৰ পিছত শইকীয়া বাইদেউৱে ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকে লাভ কৰা তথ্যসমূহৰ ভিত্তিত পুনৰ স্বাধীনতা দিৱসৰ তাৎপৰ্য লিখিবলৈ দিলে। এইবাৰ বেছিসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে স্বাধীনতা দিৱসৰ গুৰুত্ব উপলব্ধি কৰি বাইদেউৰ পৰা লাভ কৰা তথ্যসমূহ জুকিয়াই লৈ তাৎপৰ্য লিখিবলৈ সক্ষম হ'ল। দৃঢ়ীকৰণৰ বাবে শইকীয়া বাইদেৱে 'গণতন্ত্ৰ দিৱস'ৰ তাৎপৰ্য লিখি আনিবলৈ ছাত্ৰ-ছাত্ৰীক গৃহকাৰ্য দিলে।

*বিঃ দ্রঃ দীপিকা শইকীয়াই প্ৰতিটো গুৰুত্বপূৰ্ণ পালনীয় দিৱসৰ তালিকা প্ৰস্তুত কৰিছিল। তেওঁ শ্ৰেণীকোঠাত থকা বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীসকলক বিশেষ গুৰুত্ব প্ৰদান কৰিছিল।*

**চিন্তা কৰি চাওঁ আহক ঃ**

- ✶ দীপিকা বাইদেৱে ছাত্ৰ-ছাত্ৰীসকলক স্বাধীনতা দিৱস সম্পৰ্কে প্ৰয়োজনীয় তথ্য প্ৰদান কৰিবলৈ কি পদক্ষেপ হাতত ল'লে?
- ✶ দীপিকা শইকীয়াই ছাত্ৰ-ছাত্ৰীসকলক কেনেদৰে স্বাধীনতা দিৱসৰ গুৰুত্ব উপলব্ধি কৰালে?
- ✶ ছাত্ৰ-ছাত্ৰীসকলৰ এনে লিখন কৌশলৰ বিকাশ সাধন কৰিবলৈ আমি আৰু কি কি উদ্ভাৱনীমূলক ক্ৰিয়া-কলাপৰ পৰিকল্পনা কৰিব পাৰোঁ?

**ক্ৰিয়া-কলাপ - ১**

সপ্তম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৃষ্টিশীল লিখনি লিখাৰ প্ৰতি আগ্ৰহ জন্মাবলৈ আমি তেওঁলোকক কিছুমান চুটি চুটি পদ্য লিখিবলৈ উৎসাহ যোগাব পাৰোঁ। ছাত্ৰ-ছাত্ৰীৰ সুপ্ত প্ৰতিভাৰ বিকাশ ঘটাবলৈ এনেধৰণৰ ক্ৰিয়া-কলাপ কৰিব পাৰি নেকি চাওঁ আহক—

**প্ৰস্তুতি ঃ**

শিক্ষকে সপ্তম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে পদ্য লিখাৰ উপযোগী কিছুমান বিষয়বস্তু নিৰ্বাচন কৰি ল'ব। নিৰ্বাচিত বিষয়বস্তুসমূহ কিছুমান কাৰ্ডত লিখি ল'ব। কাৰ্ডত লিখা বিষয়বস্তুসমূহ এনে ধৰণৰ হ'ব—

| ফুল | নদী | চৰাই | আকাশ |
|---|---|---|---|

এনেদৰে কাৰ্ডসমূহ প্ৰস্তুত কৰি লোৱাৰ পিছত শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক চাৰি-পাঁচজনকৈ দলত ভাগ কৰি ল'ব। প্ৰতিটো দলকে একোখনকৈ কাৰ্ড ভগাই দিব। ইয়াৰ পিছত শিক্ষকে প্ৰতিটো দলকে তেওঁলোকে লাভকৰা কাৰ্ডত থকা শব্দটো পঢ়ি তেওঁলোকৰ মনলৈ অহা ভাবসমূহ ব্যক্ত কৰিবলৈ দিব। ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ ভাবসমূহ ব্যক্ত কৰাৰ পিছত শিক্ষকে দলৰ প্ৰতিজন সদস্যকে তেওঁ লাভ কৰা কাৰ্ডখনত থকা বিষয়বস্তুটোৰ সম্পৰ্কে নিজৰ মনলৈ অহা ভাবসমূহক লৈ চাৰিটা শাৰীৰ একোটা কবিতা লিখিবলৈ নিৰ্দেশনা প্ৰদান কৰিব। শিক্ষকে ইয়াৰ বাবে দহ বা পোন্ধৰ মিনিট সময়সীমা নিৰ্ধাৰণ কৰি দিব। নিৰ্ধাৰিত সময়ৰ শেষত প্ৰত্যেককে নিজৰ নিজৰ পদ্য পাঠ কৰিবলৈ দিব, আৰু কবিতাটোত আৰু পংক্তি যোৰা লগাই সম্পূৰ্ণ কৰিবলৈ উৎসাহ প্ৰদান কৰিব।

ছাত্ৰ-ছাত্ৰীসকলে কাৰ্ডত থকা বিষয়টোৰ প্ৰতি নিজৰ মনলৈ অহা ভাবসমূহ শিক্ষকৰ সন্মুখত ব্যক্ত কৰিব আৰু কবিতা আকাৰে লিখাৰ যত্ন কৰিব। এনেদৰ ছাত্ৰ-ছাত্ৰীসকলে নিজৰ মনৰ ভাব-অনুভূতিৰসমূহ সাৱলীলভাৱে কবিতাৰ জৰিয়তে প্ৰকাশ কৰাৰ যত্ন কৰিব আৰু তেওঁলোকৰ কল্পনা শক্তিৰ বিকাশ সাধন হ'ব। ছাত্ৰ-ছাত্ৰীসকল কবিতা লিখাৰ প্ৰতি আগ্ৰহী হ'ব আৰু তেওঁলোকে নতুন নতুন শব্দৰ ব্যৱহাৰ, বাক্য গাঁথনি শিকিব। এনে ধৰণৰ চুটি কবিতা লিখন অভ্যাসৰ যোগেদি ছাত্ৰ-ছাত্ৰীক বিভিন্ন বিষয়ৰ কবিতা লিখিবলৈ উৎসাহিত কৰিব পাৰিব।

এই ক্ৰিয়া-কলাপটোত—

- ✶ ছাত্ৰ-ছাত্ৰীৰ কল্পনা শক্তিৰ বিকাশ সাধন হৈছে।
- ✶ ছাত্ৰ-ছাত্ৰীয়ে নিজৰ মনলৈ অহা ভাব-অনুভূতিসমূহ কবিতাৰ ৰূপ দিবলৈ যত্ন কৰিছে।
- ✶ ছাত্ৰ-ছাত্ৰীয়ে অন্য বিষয়ক লৈ কবিতা লিখিবলৈ উৎসাহিত হ'ব।
- ✶ ক্ৰিয়া-কলাপটোৰ মাধ্যমেৰে ছাত্ৰ-ছাত্ৰীৰ স্ব-মূল্যায়ন হ'ব।

*বিঃ দ্রঃ শিক্ষকে শ্ৰেণীকোঠাত থকা বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীৰ প্ৰতি বিশেষ গুৰুত্ব প্ৰদান কৰিব।*

**ক্ৰিয়া-কলাপ-২**

ছাত্ৰ-ছাত্ৰীৰ গল্প লিখাৰ কৌশলৰ বিকাশ সাধন কৰিবলৈ আমি প্ৰথমতে গল্পটোৰ ৰূপৰেখা প্ৰস্তুত কৰি দি ৰূপৰেখাটোৰ আধাৰত গল্পটো সম্পূৰ্ণ কৰিবলৈ দিব পাৰোঁ। এনে ধৰণৰ ক্ৰিয়া-কলাপে ছাত্ৰ-ছাত্ৰীৰ কল্পনাশক্তিৰ বিকাশত সহায়ক হ'ব পাৰে।

**বিৰৰণ ঃ** এই ক্ৰিয়া-কলাপটো কৰিবলৈ শিক্ষকে প্ৰথমতে যিকোনো এটি গল্পৰ ৰূপৰেখা প্ৰস্তুত কৰি ল'ব। শ্ৰেণীৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে দেখাকৈ গল্পৰ ৰূপৰেখাটো ব'ৰ্ডত লিখি দিব—

"বিজয়শংকৰে ডাক-ঘৰলৈ গৈ প'ষ্ট মাষ্টৰ অনন্ত গগৈৰ লগত কথা পাতি সঞ্চয়ৰ গুৰুত্ব উপলব্ধি কৰিব পাৰিলে। ঘৰলৈ গৈ দেউতাকৰ লগত কথা পাতি এখন পাঁচ বছৰীয়া জমা হিচাপে খুলিলে। চাওঁতে চাওঁতে বিজয়শংকৰৰ ডাক-ঘৰৰ পাঁচ বছৰীয়া জমা হিচাপ ম্যাদো সম্পূৰ্ণ হ'ল। এনে সময়তে এদিন বিজয়শংকৰ....."

এনেদৰে ব'ৰ্ডত লিখি দিয়াৰ পিছত শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক ব'ৰ্ডত লিখা কথাখিনি পঢ়িবলৈ ক'ব। শিক্ষকে ইয়াৰ পিছত বিজয়শংকৰৰ কি হ'ব পাৰে ছাত্ৰ-ছাত্ৰীসকলক চিন্তা কৰি ক'বলৈ উৎসাহ জনাব। ছাত্ৰ-ছাত্ৰীসকলে নিজৰ ভাব প্ৰকাশ কৰাৰ পাছত শিক্ষকে নিজ নিজ কল্পনা অনুসৰি গল্পটো সম্পূৰ্ণকৈ লিখিবলৈ নিৰ্দেশনা প্ৰদান কৰিব।

ছাত্ৰ-ছাত্ৰীসকলে শিক্ষকৰ নিৰ্দেশনা অনুসৰি ব'ৰ্ডত লিখা গল্পৰ ৰূপৰেখা পঢ়ি, বুজি কল্পনাশক্তি প্ৰয়োগ কৰি গল্পটো সম্পূৰ্ণ কৰিবলৈ চেষ্টা কৰিব। এই ক্ৰিয়া-কলাপটিৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ চিন্তা কৰিব পৰা শক্তি বৃদ্ধি হ'ব আৰু নিজে ভবা কথাখিনি সাৱলীলভাৱে লিখনিৰ মাজেৰে প্ৰকাশ কৰাৰ দক্ষতা বৃদ্ধি হ'ব। নিজে কল্পনা কৰা কথাবোৰ সাৱলীলভাৱে, সংগতিপূৰ্ণ বাক্যৰ মাজেৰে প্ৰকাশ কৰাৰ কৌশল আয়ত্ত কৰিব পাৰিলে ছাত্ৰ-ছাত্ৰীসকলে সৃজনীমূলক লিখনি লিখিবলৈ সক্ষম হ'ব।

এই ক্ৰিয়া-কলাপটোত—

⇨ প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে নিজৰ কল্পনাশক্তিৰ প্ৰয়োগ কৰিছে।
⇨ গল্প লিখনৰ কৌশল আয়ত্ত কৰিছে।
⇨ নিজৰ কল্পনাক লিখনিৰ মাজেৰে প্ৰকাশ কৰাৰ দক্ষতা অৰ্জন কৰিছে।
⇨ ছাত্ৰ-ছাত্ৰীসকলৰ স্ব-মূল্যায়ন হৈছে।

**ক্ৰিয়া-কলাপ-৩**

**প্ৰস্তুতি ঃ** এই ক্ৰিয়া-কলাপটিৰ বাবে শিক্ষকে কিছুমান বাক্য লিখা কাৰ্ড তৈয়াৰ কৰি ল'ব। কাৰ্ডসমূহত ছাত্ৰ-ছাত্ৰীয়ে চিন্তা কৰি উত্তৰ দিব পৰাকৈ কিছুমান প্ৰশ্ন লিখা থাকিব। উদাহৰণস্বৰূপে—

| তুমি যদি ভৱিষ্যতে এজন শিক্ষক হোৱা, দেশ তথা সমাজৰ উন্নতিৰ বাবে কি কৰিবা? |
|---|

এনেদৰে কাৰ্ডসমূহ তৈয়াৰ কৰি লোৱাৰ পিছত শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক চাৰি/পাঁচজনীয়া দলত বিভক্ত কৰি দিব। প্ৰতিটো দলকে একোটা কাৰ্ড দি কাৰ্ডত থকা প্ৰশ্নটো পঢ়িবলৈ দিব। ইয়াৰ পাছত দলীয়ভাৱে আলোচনা কৰি তেওঁলোকে লাভ কৰা প্ৰশ্ন অনুসৰি দেশ আৰু সমাজৰ উন্নতিৰ হকে কৰিব পৰা কামবোৰৰ তালিকা প্ৰস্তুত কৰিবলৈ ক'ব। ছাত্ৰ-ছাত্ৰীসকলৰ লিখা কাৰ্য সমাপন হোৱাৰ পাছত শিক্ষকে তেওঁলোকৰ মাজত আলোচনা কৰি তেওঁলোকে প্ৰস্তুত কৰা দেশ আৰু সমাজৰ উন্নতিৰ বাবে কৰিব পৰা কামৰ তালিকা পাঠ কৰিবলৈ দিব।

ছাত্ৰ-ছাত্ৰীসকলে শিক্ষকে দিয়া নিৰ্দেশনা অনুসৰি কাৰ্ডত থকা প্ৰশ্নসমূহ পঢ়িব। কাৰ্ডত থকা প্ৰশ্ন অনুসৰি দলীয়ভাৱে আলোচনা কৰি দেশৰ বাবে কৰিব পৰা উন্নয়নমূলক কামৰ তালিকা প্ৰস্তুত কৰিব। এনে ধৰণৰ লিখন অভ্যাসৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকলৰ দেশৰ হকে কৰিব পৰা উন্নয়নমূলক কাৰ্য সম্পৰ্কে বোধ জন্মিব।

এই ক্ৰিয়া-কলাপটিত—

⇨ ছাত্ৰ-ছাত্ৰীসকলে দেশৰ বাবে উন্নয়নমূলক কামৰ সম্পৰ্কে চিন্তা কৰিব পাৰিছে।
⇨ উন্নয়নমূলক কাৰ্য সম্পৰ্কে বোধ জন্মিছে।
⇨ চিন্তাশীল লিখনি লিখাৰ কৌশল আয়ত্ত কৰিছে।
⇨ ছাত্ৰ-ছাত্ৰীৰ স্ব-মূল্যায়ন হৈছে।

**সাৰাংশ ঃ**

বিভিন্ন ধৰণৰ ক্ৰিয়া-কলাপ আৰু পৰ্যাপ্ত অনুশীলনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ স্বতন্ত্ৰ লিখন কৌশলৰ বিকাশ সাধন কৰিব পাৰি। উপযুক্ত নিৰ্দেশনা আৰু সহায়-সহযোগ আগবঢ়াই আমি ছাত্ৰ-ছাত্ৰীসকলৰ সুপ্ত প্ৰতিভা জগাই তুলিব পাৰোঁ। ছাত্ৰ-ছাত্ৰীসকলৰ সৃষ্টিশীল লিখনি লিখাৰ প্ৰতি আগ্ৰহ সৃষ্টি কৰিবলৈ আৰু উৎসাহ যোগাবলৈ বিদ্যালয়ত প্ৰাচীৰ পত্ৰিকা, হাতেলিখা আলোচনী আদিৰো প্ৰকাশ কৰাৰ ব্যৱস্থা কৰিব পাৰোঁ। যিকোনো লিখনি লিখাৰ বাবে লেখকক কিছুমান তথ্যৰ প্ৰয়োজন। শিক্ষক হিচাপে আমি ছাত্ৰ-ছাত্ৰীসকলক প্ৰয়োজনীয় তথ্যৰ যোগান ধৰিব পাৰোঁ। প্ৰয়োজন সাপেক্ষে বিভিন্ন লিখনিৰ আৰ্হি ছাত্ৰ-ছাত্ৰীক দেখুৱাব পাৰোঁ। দীপিকা শইকীয়া

বাইদেউৰে ছাত্ৰ-ছাত্ৰীক প্ৰয়োজনীয় তথ্য প্ৰদান কৰি ছাত্ৰ-ছাত্ৰীৰ লিখনৰ ক্ষেত্ৰত থকা দুৰ্বলতা দূৰ কৰিবলৈ সক্ষম হৈছিল।

**দৃঢ়ীকৰণ ঃ**

ছাত্ৰ-ছাত্ৰীসকলৰ লিখন কৌশল দৃঢ়ীকৰণৰ বাবে তলত দিয়া প্ৰশ্নসমূহ কৰি চাওঁ আহক—

⇨ তোমাৰ প্ৰিয় যিকোনো এটি বিষয়বস্তু লৈ এটি পদ্য লিখা।

⇨ ক্ষুদ্ৰ সঞ্চয় আঁচনিয়ে জমাকাৰীক লাভবান কৰাৰ উপৰি দেশক কেনেদৰে সহায় কৰে লিখা।

⇨ অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ বশৱৰ্তী হৈ বৈজ্ঞানিক দৃষ্টিভংগীৰ পৰা আঁতৰত থকাৰ ফলত আমাৰ কেনে ধৰণৰ ক্ষতি হ'ব পাৰে লিখা।

**ছাত্ৰ-ছাত্ৰীৰ বাবে অনুশীলনী ঃ**

⇨ ধৰি লোৱা তুমি বজাৰলৈ গৈ থাকোঁতে বহুদিনৰ মূৰত তোমাৰ বন্ধু ৰাহুলক লগ পালা। তোমালোকৰ মাজত হ'ব পৰা কথোপকথন নাটকীয় সংলাপৰ আকাৰত লিখা।

⇨ বিশ্ব পৰিৱেশ দিৱসৰ তাৎপৰ্য লিখা।

⇨ তোমাৰ জীৱনত ঘটা স্মৰণীয় ঘটনা এটাৰ বিষয়ে লিখা।

⇨ তোমাৰ পৰিয়ালৰ কোনো সদস্য যদি অন্ধবিশ্বাসৰ বশৱৰ্তী হয়, তুমি কেনেদৰে তেওঁৰ অন্ধবিশ্বাস দূৰ কৰিবা ?

**প্ৰসংগ পুথি ঃ**

⇨ পাঠ্যপুথি — নতুন পাঠ।

⇨ টেছ ইণ্ডিয়া (**TESS INDIA**) — মডিয়ুল।

⇨ অসমীয়া ভাষা শিক্ষণ পদ্ধতি — মদন শৰ্মা

⇨ চন্দ্ৰকান্ত অভিধান, হেমকোষ অভিধান।

*****